**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-04-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই আজি শ্ৰীনগৰৰ ৰাজভৱনত সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীৰ সৈতে এখন নিৰাপত্তা পৰ্যালোচনা বৈঠকত মিলিত হয়।

২। ৱাকফ সংশোধনী আইন ২০২৫ ৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি উচ্চতম ন্যায়ালয়ত দাখিল কৰা আবেদনৰ গোচৰত আজি কেন্দ্ৰীয় চৰকাৰে শপতনামা দাখিল কৰিছে।

৩। সুস্থ অৰ্থনীতি, আন্তঃগাঁথনি আৰু বিশ্ব খ্যাতিৰে ভাৰত দ্ৰুত গতিত আগবাঢ়ি গৈছে বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মন্তব্য কৰিছে।

৪। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোৰ প্ৰাক্তন অধ্যক্ষ তথা ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল নিৰ্মাতা ড০ কে কস্তুৰিৰংগনৰ আজি বেংগালুৰুত দেহাৱসান ঘটে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কিছু সময় পাছতে চেন্নাইত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, ছান ৰাইজাৰ্ছ  হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই আজি শ্ৰীনগৰৰ ৰাজভৱনত সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীৰ সৈতে এখন নিৰাপত্তা পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত নৰ্ডান কমাণ্ডৰ জেনেৰেল অফিচাৰ কমাণ্ডিং লেফটেনেণ্ট জেনেৰেল এম ভি সুচিন্দ্ৰ কুমাৰ, সেনাবাহিনীৰ উপ-প্ৰধান লেফটেনেণ্ট জেনেৰেল প্ৰতীক শৰ্মা আৰু পঞ্চদশ ক'ৰৰ জেনেৰেল অফিচাৰ কমাণ্ডিং লেফটেনেণ্ট জেনেৰেল প্ৰশান্ত শ্ৰীবাস্তৱো উপস্থিত থাকে।

ইয়াৰ পূৰ্বে পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনাৰ বাবে শ্ৰীদ্বিৱেদী আজি পুৱা শ্ৰীনগৰত উপস্থিত হয়। সেনা মুৰব্বীগৰাকীক শ্ৰীনগৰৰ সেনাৰ জেনেৰেল অফিচ কমাণ্ডিঙে সুৰক্ষা ব্যৱস্থা আৰু সেই খণ্ডত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে চলোৱা অভিযান তথা নিয়ন্ত্ৰণৰেখাৰ সমীপত পাকিস্তানী সেনাই যুদ্ধবিৰতি ভংগ কৰাৰ বাবে চলোৱা চেষ্টাৰ বিষয়ে অৱগত কৰে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি সেনা প্ৰধানগৰাকী শেহতীয়া পৰিস্থিতিৰ বুজ ল'বলৈ পহলগামত উপস্থিত হৈছে। ইফালে, পাকিস্তানী সেনাই উত্তৰ কাশ্মীৰৰ কুপৱাৰা জিলাৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ নৌগম এলেকাৰ বিভিন্ন অংশত যুদ্ধ বিৰতি ভংগ কৰাৰ চেষ্টা চলোৱাৰ তথ্য পোৱা গৈছে। জম্মু খণ্ডৰ ৰজৌৰী আৰু পুঞ্চ এলেকাতো একেধৰণৰ চেষ্টাৰ বাতৰি পোৱা গৈছে।

000000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দেশৰ সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰীকে তেওঁলোকৰ ৰাজ্যত থকা পাকিস্তানী নাগৰিকসকলক চিনাক্ত কৰি সেইসকলক ততালিকে পাকিস্তানলৈ বিতাড়ন কৰাটো সুনিশ্চিত

কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে পহলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত কালি ভাৰতে ছাৰ্ক ভিছাৰ অধীনত সম্প্ৰতি ইয়াত থকা পাকিস্তানী নাগৰিকসকলৰ ভিছা বাতিল কৰে।

ইপিনে, কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি তেওঁৰ নতুন দিল্লীৰ বাসগৃহত আমাৰ দেশৰ পাকিস্তানৰ সৈতে থকা ১৯৬০ চনৰ সিন্ধু জল চুক্তিৰ সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে। উল্লেখযোগ্য যে পহলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পাছতে ভাৰতে ততালিকে প্ৰযোজ্য হোৱাকৈ সিন্ধু জল চুক্তি বাতিল কৰিছে। আজিৰ বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু কেন্দ্ৰীয় জল শক্তি মন্ত্ৰী চি আৰ পাটিলৰ সৈতে কেইবাগৰাকীও জ্যেষ্ঠ চৰকাৰী বিষয়ববীয়া উপস্থিত থাকে।

০০০০০০০

ৱাকফ সংশোধনী আইন ২০২৫ ৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি উচ্চতম ন্যায়ালয়ত দাখিল কৰা আবেদনৰ গোচৰত আজি কেন্দ্ৰীয় চৰকাৰে শপতনামা দাখিল কৰিছে। গোচৰটো সন্দৰ্ভত যোৱা ১৭ এপ্ৰিলত ভাৰতৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নেতৃত্বৰ খণ্ড আদালতে দিয়া নিৰ্দেশ অনুযায়ী কেন্দ্ৰীয় চৰকাৰৰ হৈ সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে এইউ শপতনামা দাখিল কৰিছে। ১৯৯৫ চনৰ ৱাকফ আইনৰ অপ-প্ৰয়োগৰ জৰিয়তে চৰকাৰী ভূমিৰ বেদখল বন্ধ কৰাৰ প্ৰৱণতা ৰোধ আৰু দেশৰ ৱাকফ বৰ্ড সমূহে সুচাৰুৰূপে আৰু স্বচ্ছভাৱে কাম কৰাটো সুনিশ্চিত কৰাৰ বাবে এই সংশোধনী আইন অনা হৈছে বুলি এই শপতনামাত উল্লেখ কৰা হৈছে । ইয়াৰ উপৰিও ২০১৩ চনৰ ৱাকফ আইন সংশোধনীৰ পাছত সমগ্ৰ দেশতে ৱাকফ সম্পত্তিৰ পৰিমাণ ১১৬ শতাংশ বৃদ্ধি পোৱা পৰিলক্ষিত হয় বুলিও এই শপতনামাত কোৱা হৈছে। ৱাকফ সম্পত্তিৰ ক্ষেত্ৰত পূৰ্বৰ আইনত থকা আঁসোৱাহ দূৰ কৰাৰ বাবে নতুন সংশোধনীৰ জৰিয়তে প্ৰশাসনীয় আৰু সংসদীয় পৰ্যায়ত বিস্তাৰিতভাৱে প্ৰয়াস চলোৱা হৈছে। শপতনামাখনত সংসদে প্ৰণয়ন কৰা কোনো আইনত সাংবিধানিক আদালতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে স্থগিতাদেশ দিয়াৰ আইনী পৰম্পৰা নাই বুলিও উল্লেখ কৰা হৈছে। আদালতে আজি কেন্দ্ৰীয় চৰকাৰৰ এই শপতনামা পোৱাৰ পাছত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন অহা ৫ মে ধাৰ্য কৰে।

০০০০০০০০০

সুস্থ অৰ্থনীতি, আন্তঃগাঁথনি আৰু বিশ্ব খ্যাতিৰে ভাৰত দ্ৰুত গতিত আগবাঢ়ি গৈছে আৰু প্ৰচুৰ সম্ভাৱনাপূৰ্ণ নৱপ্ৰজন্ম ভৱিষ্যতৰ নেতা হিচাপে বিকশিত কৰাৰ বাবে এটা উন্নয়নমূলক পৰিবেশৰ সৃষ্টি কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি তামিলনাডুৰ ৰাজ্যিক, কেন্দ্ৰীয় আৰু ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্যসকলৰ দুদিনীয়া বৈঠক আনুষ্ঠানিকভাৱে উদ্বোধন কৰি এইদৰে কয়। উদ্যোগ আৰু অন্যান্য বাণিজ্যিক প্ৰতিষ্ঠানসমূহক উদ্দেশ্যি শ্ৰীধনখড়ে কয় যে তেওঁলোকে প্ৰতিষ্ঠানসমূহত গৱেষণা আৰু উন্নয়নমূলক কাম-কাজৰ বাবে উদাৰতাৰে পুঁজিৰ যোগান ধৰিব লাগে আৰু যুৱ প্ৰজন্মৰ উদ্ভাৱনী প্ৰতিভা বিকশিত কৰাৰ বাবে সুযোগ প্ৰদান কৰিব লাগে। এই ক্ষেত্ৰত প্ৰতিষ্ঠানসমূহক সদিচ্ছাৰে আগবাঢ়ি আহিবলৈও শ্ৰীধনখড়ে আহ্বান জনায়। বিশ্ববিদ্যালয়সমূহে অধ্যাপকসকলৰ জ্ঞান আৰু অভিজ্ঞতা আন প্ৰতিষ্ঠানসমূহৰ সৈতে ভাগ-বটোৱাৰা কৰি উচ্চ শিক্ষাৰ মান উন্নত কৰিবলৈ শ্ৰীধনখড়ে ইচ্ছা প্ৰকাশ কৰে। উপ-ৰাষ্ট্ৰপতি শ্ৰীধনখড়ে কয় যে ছাত্ৰ-ছাত্ৰীৰ গৱেষণাপত্ৰৰ বিশ্বব্যাপী আকৰ্ষণ থাকিব লাগে যাতে ইয়াৰ দ্বাৰা সমাজ আৰু বিশ্বৰ উপকাৰ সাধন হয়। গুণগত শিক্ষাৰ বাবে ব্যয়সাধ্যতা আৰু সুলভতা চৰকাৰৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ বুলি শ্ৰীধনখড়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত

ভাৰতে শান্তি আৰু উন্নয়নৰ ক্ষেত্ৰত সকলোৰে সৈতে থিয় দিয়া এখন শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছে।

উল্লেখযোগ্য যে তিনিদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুত উপস্থিত হোৱা উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যখনৰ মুৰুমালাই ব্যাঘ্ৰ প্ৰকল্প আৰু হাতী শিবিৰো পৰিদৰ্শন কৰাৰ কথা আছে। অহা ২৭ এপ্ৰিলত দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ কইম্বাটোৰৰ তামিলনাডু কৃষি বিশ্ববিদ্যালয়ত আয়োজিত কৃষি সন্মিলনতো অংশগ্ৰহণ কৰিব।

000000000

যোৱা ২১ এপ্ৰিলত দেহাৱসান ঘটা পোপ ফ্ৰান্সিছৰ শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে আজি ভেটিকান চিটীত উপস্থিত হৈছে। শ্ৰীমতী মুৰ্মুৱে ভাৰত চৰকাৰ আৰু দেশৰ জনসাধাৰণৰ হৈ সমবেদনা জ্ঞাপন কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিত প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰপতিগৰাকীয়ে ছেইণ্ট পিটাৰ্ছ বেছিলিকাত পোপ ফ্ৰান্সিছৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। কাইলৈ শ্ৰীমতী মুৰ্মুৱে শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। শ্ৰীমতী মুৰ্মুক এই যাত্ৰাত সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজু, সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জৰ্জ কুৰিয়ান আৰু গোৱা বিধানসভাৰ উপাধ্যক্ষ জোশুৱা ডি ছুজাইও সংগ দিছে।

000000000

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোৰ প্ৰাক্তন অধ্যক্ষ তথা ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল নিৰ্মাতা ড০ কে কস্তুৰিৰংগনৰ আজি পুৱা বেংগালুৰুৰ নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ। ইছৰোৰ অধ্যক্ষ হিচাপে ড০ কস্তুৰিৰংগনে ভাৰতৰ সকলোতকৈ নিৰ্ভৰযোগ্য ছেটেলাইট উৎক্ষেপন যান প'লাৰ ছেটেলাইট উৎক্ষেপন যানৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ২০০৩ চনৰ ২৭ আগষ্টত পদত্যাগ কৰাৰ আগত ড০ কস্তুৰিৰংগনে ভাৰতীয় মহাকাশ ব্যৱস্থাপনাক ৯ বছৰলৈ নেতৃত্ব প্ৰদান কৰিছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ড০ কৃষ্ণস্বামী কস্তুৰিৰংগনৰ মৃত্যুত শোক প্ৰকাশ কৰি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কয় যে জ্ঞানৰ অন্বেষণত ব্ৰতী ড০ কস্তুৰিৰংগনে বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়াই থৈ গৈছে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ড০ কস্তুৰিৰংগনৰ মৃত্যুত শোক প্ৰকাশ কৰি কয় যে ভাৰতৰ শিক্ষা নীতি গঢ় দিয়াৰ ক্ষেত্ৰত তথা সমাজত বৈজ্ঞানিক মানসিকতাৰ বীজ ৰোপণৰ ক্ষেত্ৰত ইছৰোৰ প্ৰাক্তন অধ্যক্ষগৰাকীয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ বৈজ্ঞানিক আৰু শৈক্ষিক যাত্ৰাৰ লেখত ল'বলগীয়া ব্যক্তিত্ব ড০ কস্তুৰিৰংগনৰ মৃত্যুত শোক প্ৰকাশ কৰি কয় যে মহাকাশ বিজ্ঞানীগৰাকীৰ দূৰদৰ্শী নেতৃত্ব আৰু দেশৰ প্ৰতি নিস্বাৰ্থ অৱদানক সমগ্ৰ দেশবাসীয়ে সদায় মনত ৰাখিব। অধ্যাৱসায়ৰে ইছৰোত সেৱা আগবঢ়াই ভাৰতৰ মহাকাশ ব্যৱস্থাপনাক ড০ কস্তুৰিৰংগনে এটা নতুন শিখৰলৈ লৈ যোৱা বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

000000000

১৮৩গৰাকী যাত্ৰীয়ে দুখন বিশেষ বিমানৰ জৰিয়তে কালি শ্ৰীনগৰৰ পৰা মুম্বাইলৈ সুকলমে ঘূৰি আহিছে বুলি অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে এটা বিবৃতিযোগে জানিবলৈ দিছে। এই দুয়োখন বিমানৰ

যাত্ৰা বিনামূলীয়া আছিল বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে। আজি তৃতীয়খন বিমানযোগে আৰু ২৩২গৰাকী যাত্ৰী সন্ধিয়াৰ ভাগলৈ মুম্বাইত উপস্থিত হ'ব বুলিও মন্ত্ৰালয়ে জানিবলৈ দিয়ে। জম্মু-কাশ্মীৰৰ পৰা এতিয়ালৈকে প্ৰায় ৫০০গৰাকী যাত্ৰী সুকলমে তেওঁলোকৰ ঘৰলৈ উভতি যোৱা বুলিও মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কিছু সময় পাছতে চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি ছান ৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে।  উল্লেখযোগ্য যে পইণ্ট তালিকাত ছান ৰাইজাৰ্ছ হায়দৰাবাদ নৱম আৰু চেন্নাই ছুপাৰ কিংছ দশম তথা অন্তিম স্থানত আছে। প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়লৈ যোগ্যতা অৰ্জনৰ সম্ভাৱনা জীয়াই ৰখাৰ বাবে আজিৰ খেলখনত জয়লাভ কৰাটো দুয়োটা দলৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈছে।

ooooooooo

ভাৰতে থেলাছেমিয়া আৰু ছিক্‌ল চে'ল ৰোগৰ বাবে নেপাললৈ ২০ লাখ ডলাৰ মূল্যৰ প্ৰতিষেধক প্ৰেৰণ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰন্ধিৰ জয়চোৱালে কয়, যে নেপাল চৰকাৰৰ অনুৰোধমৰ্মে ইতিমধ্যে থেলাছেমিয়া ৰোগীৰ বাবে প্ৰতিষেধকৰ ১৭ হাজাৰতকৈও অধিক সংখ্যক ভায়েল দেশখনক অৰ্পণ কৰা হৈছে। এই কাৰ্যৰ জৰিয়তে ভাৰতে চুবুৰীয়াক অগ্ৰাধিকাৰ প্ৰদান কৰাৰ দায়বদ্ধতা পালন কৰিছে বুলিও শ্ৰী জয়ছোৱালে প্ৰকাশ কৰে।

oooo

সমাপ্ত